# সুৰভি

অতুল চন্দ্ৰ নাথ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

পূৰ্বজনম সম্পৰ্কে জানিব উদগ্ৰীৱ হৈ উঠিলেও ৰৱফৱ দৰে চেঁচা হৈ পৰোঁ - অগৰুৱে ক'লে। চন্দন, তুমি বাৰু তোমাৰ জীৱনটোৰ বিষয়ে কিবা জানিব পাৰিছা নে? পূৰ্বতে কি আছিলা, মাতৃৰ গৰ্ভত কেনেদৰে স্থিতি লভিলা, দহ মাহ দহ দিন গৰ্ভত কেনেদৰে ডাঙৰ হ'লা আৰু এই পৃথিৱীত কিদৰে ভূমিষ্ঠ হ'লা, এইবোৰ কথা বাৰু তোমাৰ বুজিবলৈ মন নেযায় নে? অগৰু দা, তুমি বৰ ৰহস্যপূৰ্ণ কথাৰ ওপৰত প্ৰশ্ন কৰিলা। এইবোৰ কথা জানিলে কিবা উপকাৰ হ'ব জানো? মানুহ হিচাপে পৃথিৱীত বিচৰণ কৰিবলৈ, প্ৰকৃতিৰ মনোমোহা দৃশ্য চাবলৈ ঈশ্বৰে হয়তো আমাক অথবা এই লোকসকলক পঠিয়াই দিছে। গতিকে মই মোৰ দৃষ্টিত পোৱা প্ৰকৃতিৰ বিভিন্ন দৃশ্যৰাজিক লৈহে চিন্তাত থাকোঁ। তুমি যিবোৰ কথা সুধিছা, সেইবোৰ কিন্তু মোৰ মনলৈ আনিব পৰা নাই। অৱশ্যে সাগৰ, নদী-নিজৰা, পাহাৰ-পৰ্ব্বত, গছ-গছনি, অৰণ্য, পথাৰ-জলাশয়, ফুল-ফল-পাত, চৰাই-বন্যজন্তু, জোন-বেলি-তৰা, আকাশ-ৰামধেনু আদিৰ কথা মনলৈ আনি নিজৰ মাজতে মনে মনে কিবা-কিবি নভাবাকৈও নাথাকো। যেনে সাগৰখন কেনেকৈ সৃষ্টি হ'ল, ই কিয় ইমান ধুনীয়া। প্ৰকৃতিৰ মনোমোহা দৃশ্যবোৰ কোনে সৃষ্টি কৰিছে, তেওঁ কোন, কিয় দেখা নাপাও, বিভিন্ন ৰঙৰ চৰাই, বিভিন্ন মাত-সুৰ- এইবোৰৰ কথা ভাবি নিজকে বৰ ভালপাওঁ যদিও একো উত্তৰ উলিয়াব নোৱাৰোঁ। চন্দন, তোৰ চিন্তাবিলাক অৱশ্যে ঠিকেই আছে। তেনেবিলাক কথা মোৰ অন্তৰতো জাগ্ৰত হয়। এনে সময়তে অগৰুৰ ভনীয়েক সুৰভিয়ে দুই গিলাচ গাখীৰ হাতত লৈ বাহিৰা ৰুমলৈ সোমাই আহে আৰু দুয়োকে দুই গিলাচ গাখীৰ খাবলৈ দি ওচৰৰ চোফাখনত বহে। অগৰু আৰু চন্দনলৈ চাই কয় - দাদা (অগৰুক) - চন্দন দা, মানুহৰ অন্তৰত যে ছয়ৰিপু বুলি কোৱা কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মৎৰ্স্য অৰ্থাৎ হিংসা বুলি বস্তুবিলাক আছে বুলি মাধৱদেৱৰ 'নামঘোষা'ত পাইছো, এইবোৰ বাৰু কেনেকৈ মানুহৰ দেহত প্ৰৱেশ কৰে? মই কিন্তু নামঘোষাখন তিনিবাৰমান পঢ়ি শেষ কৰিছো, কথা বিলাক বুজি নাপাও। চন্দনে ক'লে - অগৰু দা ৰহস্যবাদী কবি, তোমাক ভালকৈ বুজাই দিব পাৰিব। এনেতে অগৰুই কয় - কিয় প্ৰকৃতিৰ কবিয়ে (চন্দনক) ক'ব নোৱাৰে নেকি? চন্দন, মইও পঢ়িব পাৰো নামঘোষাখন, কিন্তু ভালকৈ আত্মস্থ কৰিব পৰা নাই যেন পাইছো। বাৰু, সুৰভি তই পদাৰ্থ বিজ্ঞানত গুৱাহাটী ইউনিভাৰ্চিটিৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ প্ৰথমহৈ এম.এছ.চি. পাচ কৰিলি। তোক আমি বিজ্ঞানৰ নাম কৰা ছাত্ৰী বুলিহে জানো। কিন্তু আজি তোৰদৰে বিজ্ঞানৰ ছাত্ৰীৰ পৰা যে মাধৱদেৱৰ নামঘোষাৰ সম্পৰ্কে অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন এটি পালো শুনি বৰ সুখী হ'লো। সুৰভিয়ে ক'লে - চন্দন দা, মা

ঢুকোৱাৰ পিছত দেউতাই সভা-সমিতি সকলো ত্যাগ কৰি ঘৰতে গীতা, ভাগৱত, ৰামায়ণ, মহাভাৰত, নামঘোষা, কোৰাণ, বাইবেল আদি কিনি আনি কিয় জানো অধ্যয়নত লাগি গ'ল! সেই গ্ৰন্থসমূহৰ ভিতৰত নামঘোষাখন সৰু দেখি মইও তাকে প্ৰথমে পঢ়িবলৈ ল'লো। ইমান ভাল লাগিল, এবাৰ নহয়, তিনিবাৰ পঢ়ি শেষ কৰিলো। মা জীয়াই থকাৰ সময়খিনিত দেউতাই ধৰ্মশাস্ত্ৰ অধ্যয়ন কৰা কোনো দিনাই দেখা নাছিলো। কলেজৰ ইংৰাজী অধ্যাপক হিচাপে অৱশ্যে সকলো ছাত্ৰ-ছাত্ৰীয়ে দেউতাক ভাল পাই। সেই কথা লগৰবোৰৰ পৰা মই ভালকৈয়ে জানো। কৰ্তব্যপৰায়ণ শিক্ষক হিচাপে দেউতাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি যিমান চিন্তা, অৱশ্যে বেছি কোৱা হ'ব আন আন অধ্যাপকসকলেও যদি তেনেদৰে কৰ্তব্যপৰায়ণ হ'লহেঁতেন গোটেই মহাবিদ্যালয়খনৰে নাম অসমৰ ভিতৰতে বিশেষকৈ কটন কলেজকে পিছপেলাই যাব পাৰিলেহেঁতেন। তথাপি এতিয়ালৈকে দেউতাৰ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ পাই অহা কথাটো আমাৰ কাৰণে অতি গৌৰৱৰ কথা। এনে সময়তে সুৰভিৰ দেউতাক হৃষিকেশ ঠাকুৰ কলেজৰ পৰা আহি আনন্দ মনেৰে সুৰভিহঁত থকা ৰুমলৈ সোমাই আহে। সুৰভি - দেউতাকে মাতে। দেউতা আহিলে - সুৰভিয়ে ক'লে। তিনিও বহি থকাৰ পৰা উঠে। দেউতাক এখন চোফাত বহে আৰু সিহঁতকো বহিবলৈ দিয়াত আগৰ ঠাইত বহে। আজি সুৰভিৰ ভাল খবৰ এটা আছে - দেউতাকে ক'লে। (সুৰভিলৈ চাই) আমাৰ কলেজতে তোৰ Appointment হ'ব। এয়া তোলৈ Appointment letter আনিছো। কলেজৰ Principal ৰ পৰা ধৰি Governing bodyৰ Member আৰু কলেজ শিক্ষকসকল সুখী হৈছে, কিন্তু তেওঁলোকে এতিয়া আশা কৰিছে যে ইংৰাজী বিষয়ত যেনেদৰে কলেজখনে নাম কৰি আছে, এতিয়াৰ পৰা পদাৰ্থ বিজ্ঞানতো নাম কৰিব পাৰিব। আই. টি. এচ পৰীক্ষাত উত্তীৰ্ণ হ'লি যদিও আমাৰ কলেজখনৰ খাতিৰত আৰু ল'ৰা-ছোৱালীক মানুহ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দি কলেজৰ অধ্যাপক পদটোকে বাচি ল আৰু কাইলৈ কলেজত Join কৰিব লাগিব। দেউতা, মই আপোনাৰ কথা ৰাখিলো - সুৰভিয়ে ক'লে। এটা কথা দেউতা - অগৰুৱে ক'লে। মোৰ লগৰ যে প্ৰভাত শৰ্মা লোকসেৱা আয়োগৰ অধ্যক্ষ হৈছে, তেওঁ সুৰভিক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিবলৈ আহিব। মই অৱশ্যে সুৰভিক জনোৱা নাই। আপুনি আহিলেই আপোনাৰ আগতেই সুৰভিক জনাম বুলি কোৱা নাছিলো। দেউতাকে ক'লে - সুৰভি, বিয়াৰ ক্ষেত্ৰত তোমাৰ মতামত বা কেনে? অৱশ্যে প্ৰভাত শৰ্মা ল'ৰাটো বেয়া বুলি এতিয়ালৈকে শুনা নাই। মাক-দেউতাক সৰু কালতে ঢুকাল যদিও ককাক-আইতাক শিক্ষিত কাৰণে তেওঁলোকে তাক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিলে। ককাকে উচ্চতম ন্যায়ালয়ৰ মুখ্যন্যায়াধীশ হোৱাৰ পৰা দিল্লীতে নিজাকৈ ঘৰ-বাৰী সাজি থাকিবলৈ ল'লে। দেউতাক দিল্লী বিশ্ববিদ্যালয় ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক হৈছিলহে, এনে সময়তে এৰোপ্লেনেৰে আমেৰিকালৈ যাওঁতে তেওঁৰ মৃত্যু হয়। তেতিয়া হয়তো প্ৰভাতৰ বয়স পাঁচ/ছয় বছৰ মান হৈছিল। দেউতাক ঢুকোৱাৰ পিছতে মাকেও মৃত্যু বৰণ কৰিবলগীয়া হয় দুৰ্বৃত্তৰ হাতত। মাক সুগন্ধা আছিল মেজিষ্টেট। নাবালিকা ধৰ্ষণ অপৰাধত সমাজকল্যাণ মন্ত্ৰীৰ পুত্ৰক ফাঁচীৰ আদেশ দিয়াৰ কাৰণেই বাটতে গুণ্ডাই আগুৰি ধৰি প্ৰভাত শৰ্মাৰ মাতৃক নানা অত্যাচাৰ কৰি বুকুত চুৰি সুমুৱাই মাৰি পেলায়। প্ৰভাতৰ জীৱন কাহিনী অতি দুখ লগা। পিতৃ সুবিমলো এজন বৰ সৎ লোক আছিল। আমি প্ৰায় একে বয়সৰে আছিলো। বিয়াও আমাৰ একে সময়তে হৈছিল। অকলশৰীয়া প্ৰভাতক ককা আৰু আইতাকৰ ওচৰত এৰি থৈ তেওঁলোকৰ আত্মা নিশ্চয় বৈকুণ্ঠত আছে। ঈশ্বৰৰ ওচৰত তাকে প্ৰাৰ্থনা কৰো। দেউতা, ককা-আইতাক প্ৰভাতৰ আছেহেনো। তেওঁলোকক লগত লৈয়ে আহিম বুলি মোমায়েকৰ আগত কৈ পঠিয়াইছে - অগৰুৱে ক'লে। দেউতা, মোৰ চাকৰিৰ খবৰ আপুনি নিজেই লৈ আহিছে। এফালে চাকৰিত যোগদান কৰিব লাগে; আনফালে বিবাহৰ কথা। দুই বছৰমান মোক ৰ'বলৈকে দিলে ভাল হয় নেকি - সুৰভিয়ে ক'লে। দেউতা, প্ৰভাতে যি দিনা আমাৰ সুবিধা হয়, সেইমতেই ফোন কৰিব দিছিল। সেইমতে সি আহিব - অগৰুৱে ক'লে। সুৰভি, এতিয়া বাৰু আমি সুবিধামতে দিন এটা চাই আমাৰ ঘৰলৈ আলহী হিচাপেই আহিব দিও; বিয়াৰ কথা বুলি আহিব নালাগে বাৰু। চন্দন তুমি কি কোৱা— দেউতাকে ক'লে। হয় চাৰ, সেইটোৱে ভাল হ'ব নেকি - চন্দনে ক'লে। বাৰু চন্দন তোমালোক বহা, মই কাপোৰসাজ সলাই লও - হৃষিকেশ ঠাকুৰে ক'লে। চাৰ মইও যাওঁ - চন্দনে ক'লে। মোৰ বহু সময় হ'ল। হৃষিকেশ ঠাকুৰ- বাৰু যোৱা নহ'লে। হয় চাৰ, অগৰুদা, সুৰভি মইও যাঁও, বহু সময় হ'ল— চন্দনে ক'লে। চন্দনক অগৰু আৰু সুৰভিয়ে পদুলিলৈ আগবঢ়াই দিলে।

❖❖❖



## কৌতুক

—মনোজ সৰকাৰ
চতুৰ্থ ষাণ্মাসিক

১। ঃ ভাইটি তুমি স্কুললৈ যাবলৈ ভাল পোৱানে?
ঃ যাবলৈয়ো ভাল পাওঁ আহিবলৈয়ো ভাল পাওঁ। কিন্তু মাজৰ সময়খিনিহে বেয়া পাওঁ।

২। স্বামী ঃ মদ খালে তোমাক বৰ ধুনীয়া দেখি।
স্ত্ৰী ঃ ধেৎ, মই ক'তনো মদ খালো।
স্বামী ঃ নাই, মইহে খাইছোঁ।

৩। মহানগৰত গাড়ী চুৰিৰ ঘটনা নিতৌ বাঢ়িব ধৰিছে। সেয়ে নগৰবাসীয়ে আলোচনা কৰি ঠিক কৰিলে যে যিয়েই গাড়ী চোৰক ধৰিব পাৰিব, তেওঁকেই নগদ দহ হাজাৰ টকা দিয়া হ'ব।

কথা শুনি থানাৰ অ'চিয়ে টেবুলৰ ওপৰত ভৰি তুলি নিজকে নিজে ক'লে— মই চোৰ নধৰাৰ বাবে বিশ হাজাৰ পাওঁ আৰু ধৰিলে দিব মাত্ৰ দহ হাজাৰ। সেয়ে কষ্ট কৰি ধৰাতকৈ নধৰাই ভাল।

৪। প্ৰেমিক ঃ তুমি মোৰ দেউতাক কৈছাতো যে মোৰ কাৰণে তোমাৰ চকুত টোপনি নাই?
প্ৰেমিকা ঃ দেউতাই কি ক'লে?
প্ৰেমিক ঃ তেওঁৰ ফেক্টৰিৰ নাইট ছিভট্‌ত কাম কৰিবলৈ কৈছে।

চুটিগল্প

# বিষাদৰ এজাক ধুমুহা

—ইব্বাদুল আলী
স্নাতক চতুৰ্থ ষান্মাসিক

ৰাতিপুৱাই শুই উঠি গোহালীৰ পৰা গৰু হাল উলিয়াই কান্ধত নাঙলখন লৈ হাল বাবলৈ পথাৰলৈ ওলাল ৰহমান। ঘৈণীয়েকেও ঘৰৰ ইটো-সিটো কাম নিয়াৰিকৈ কৰিবলৈ ধৰিলে। চোতাল সাৰিছে, গোহালীৰ গোবৰ পেলাইছে, কাঁহী-বাটি মাজি ধুই পখালি পেলাইছে, জুহালত জুইৰ ব্যৱস্থা কৰিছে। খেতিৰ কামত লাগিলে ঘৈণীয়েক মঞ্জুলাই ৰাতিপুৱাৰ কামবোৰ লৰা-লৰিকৈ কৰে। কাৰণ পথাৰলৈ চাহ-ভাত লৈ যাব লাগে।

সিহঁতৰ খেতিৰ মাটি বেছি নহয়। খেতিৰ ধানেৰে কোনোবাটো বছৰ জুৰায়গৈ আৰু কোনোবা বছৰ নহয়গৈ। কাৰণ ঘৰখনৰ বিভিন্ন অভাৱ অনাটন পূৰাবলৈ, ল'ৰা-ছোৱালীকেইটাৰ ইটো-সিটো বস্তু আনিবলৈ কেতিয়াবা কেতিয়াবা ধান বেচা হয়। খেতিৰ কাম শেষ হ'লে ৰহমানে আনৰ ঘৰত দিন হাজিৰা কৰে।

ঘৰখনত তিনিটা ল'ৰা আৰু ছোৱালী এজনী। ডাঙৰ ল'ৰা বাবুলৰ বিশ বছৰ বয়স, তাৰ পিছৰজন জিয়াবুৰ তাৰ পিছত ছোৱালীজনী ৰাছিদা আৰু একেবাৰে শেষত সৰুজন ল'ৰা মহিবুৰ। এনেদৰেই সময়ৰ সোঁতত অভাৱ অনাটন আৰু ভাল-বেয়াৰ মাজেৰেই দিনবোৰ পাৰ হৈ গৈ থাকিল। কেতিয়াবা মঞ্জুলা আৰু গিৰীয়েকে নিৰলে বহি ঘৰখনৰ ইটো-সিটো কথা, ল'ৰা-ছোৱালীকেইটাক লৈ কৰা আশ আকাংক্ষা আদি দুয়ো মিলি নিৰলে ব্যক্ত কৰে।

এদিন হঠাৎ জ্বৰ হৈ বৰ পুত্ৰ বাবুলৰ মৃত্যু হ'ল। বৰ পুত্ৰৰ মৃত্যুৰ শোকত ঘৰখনৰ সকলোখিনি মানুহ দুখ-বেদনাত জৰ্জৰিত হৈ ভাগি পৰিল। বিশেষকৈ মঞ্জুলা বেছিকৈ ভাগি পৰিল। কাৰণ সৰুৰে পৰা নিজ হাতে তুলি-তালি ডাঙৰ-দীঘল কৰা বৰ পুত্ৰই ডেকা বয়সতে চিৰদিনৰ বাবে তাইক আৰু ঘৰখনৰ সকলোকে এৰি থৈ এই পৃথিৱীৰ পৰা শেষ বিদায় ল'লে। বৰ পুত্ৰক লৈ তাইৰ মনত দোলাদি থকা কল্পনাৰ ছবিখন যেন ৰাতিৰ জোনাকী পৰুৱা এটা হৈ সুদূৰ আন্ধাৰৰ মাজত নিঃশেষ হৈ গ'ল। মনৰ দুখত তাই পিৰালিত বহি মূৰে-কপালে হাত লৈ একেথৰে ৰ লাগি ভাবনাত মগ্ন হৈ থাকে।

এনেদৰে দিন বাগৰি গৈ থাকিল। বৰ পুত্ৰৰ বিষাদ বেদনাবোৰ লাহে লাহে পাতলাই আকৌ স্বাভাৱিক জীৱন-যাপন কৰিবলৈ ধৰিছিলহে মাথোঁ এনেতে মঞ্জুলাৰ জীৱনত পুনৰ এচাটি ধুমুহাই তাইক জৰাজীৰ্ণ কৰি থৈ গ'ল। এদিন ৰাতি ভাত পানী খাই শুই আছে। এনেতে হঠাৎ গিৰীয়েকৰ গাটো বাই-জাই কৰিছে বুলি কৈ বিচনাতে ছট-ফটাবলৈ ধৰিলে। মঞ্জুলাই কি হৈছে বুলি সোধাত, তেওঁ পানী পানী বুলি চিঞৰিলে। তাই লৰা-লৰিকৈ গৈ পানী এগিলাচ আনি গিৰীয়েকক খুৱাই দিলে। পানী গিলাচ খাই গিৰীয়েক বিচনাত বাগৰি পৰিল। মঞ্জুলাই তেওঁৰ গা লৰাই 'হেৰি, হেৰি' বুলি মাতিবলৈ ধৰিলে কিন্তু তেওঁৰ মাত নোলাল। তাই নাকত, মুখত হাত লৈ গম পালে তেওঁৰ উশাহ-নিশাহ বন্ধ হৈ ধুমুহাত উঘালি পৰা গছ এডালৰ দৰে একে ঠাইতে কোনো লৰ-চৰ নোহোৱাকৈ নিৰৱে পৰি আছে। তাইৰ জানিবলৈ বাকী নাথাকিল যে ইতিমধ্যে গিৰীয়েকে তাইক নিঠৰুৱা কৰি ইহ সংসাৰ ত্যাগ কৰিছে। তাই চিঞৰ মাৰি মাটিত বাগৰি পৰিল। ল'ৰা ছোৱালী কেইটা শোৱাপাটিৰ পৰা উঠি আহিল। সিহঁতৰ চিঞৰ -বাখৰ শুনি ওচৰ-চুবুৰীয়া মানুহখিনি আহিল। মঞ্জুলাই বনৰীয়া পখী এটাই খাদ্য বিচাৰি আহি যিদৰে চিকাৰীৰ জালত আবদ্ধ হৈ মুকলি হ'বৰ বাবে সৰ্বস্ব শক্তিৰে নিজৰ পাখি আৰু ঠেং মাৰি ভাগৰুৱা হৈ পৰে সেইদৰে তাই মাটিত হাত-ভৰি মাৰি কান্দিবলৈ ধৰিলে। এই হিয়া ভগা কান্দোনত তাই কোনোবাতো সময়ত অচেতন হৈ পৰি যায়। পুনৰ চেতনা ঘূৰাই পালে আকৌ একে পৰিৱেশৰ সৃষ্টি হয়। মানুহৰ অশেষ বুজনিয়েও ভূতে লম্ভা মানুহৰ শৰীৰ আৰু মনৰ দৰে তাইৰ শৰীৰ আৰু মনক কোনো ক্ৰিয়া কৰিব নোৱাৰিলে।

বৰ পুত্ৰৰ মৃত্যুৰ জুইকুৰা নুনুমাওঁতেই গিৰীয়েকৰ মৃত্যুৰ জুয়ে তাইক আৰু অধিক দিশহাৰা কৰি পেলালে। বুকুত কিবা এটা কঁপনি আৰু ভয়ে যেন তাইক হেঁচা মাৰি ধৰিলে। তাই এতিয়া কি কৰিব কি নকৰিব তাকে ভাবি-চিন্তি মন বিষাদেৰে ভৰি পৰিছে। মনটোক তাই বাৰে বাৰে বুজাবলৈ চেষ্টা কৰিও যেন বুজনি দিব পৰা নাই। মনটো অলপ পাতলাই তাই নিজকে নিজে ক'বলৈ ধৰিলে, "নাই নাই মই জীয়াই থাকিব লাগিবই, মই এইদৰে ভাগি পৰিলে মোৰ এই ল'ৰা-ছোৱালী কেইটাৰ কি হ'ব?"

গিৰীয়েকৰ মৃত্যুৰ পিছত যিমানখিনি কাম-কাজ কৰিব লাগে, সকলোখিনি কাম মঞ্জুলাই নিয়াৰিকৈ কৰিলে। এতিয়া ঘৰখনৰ সকলো দায়িত্ব মঞ্জুলাৰ ওপৰত। দেউতাকৰ মৃত্যু হোৱাত জিয়াবুৰ আৰু মহিবুৰে পঢ়া অধ্যায় সমাপ্ত কৰিব লগা হ'ল। ঘৰখন নচলে বাবে সিহঁতে পঢ়া-শুনা বাদ দিব লগা হ'ল। অৱশ্যে ছোৱালীজনী অৰ্থাৎ ৰাছিদাই পঢ়ি আছে। পেট পোহপাল দিবৰ বাবে মঞ্জুলাই সৰুজন ল'ৰা মহিবুৰক আনৰ ঘৰত গৰু চৰা আৰু বিভিন্ন ধৰণৰ কাম-বন কৰাকৈ থ'লে। জিয়াবুৰ আৰু মঞ্জুলাই মিলি ঘৰৰ সকলো কাম কাজ কৰে। পঢ়া-শুনা বাদ দি এইদৰে পুতেকহঁতক কামত লগালে যদিও মঞ্জুলাৰ মন বিষাদেৰে ভৰি থাকে। তাইক যেন কিবা এটা দুখ দুখ ভাৱে ক্ৰিয়া কৰি থাকে। তাই যেন পুতেকহঁতক যিমানখিনি দিব লাগিছিল সেইবোৰ যেন একো দিব নোৱাৰিলে। গভীৰ ভাব এটাৰে তাই নিজকে নিজে ক'লে, "আজি যদি বাপেকটো থাকিলেহে এই অথন্তৰটো ঘটিব পাৰিলেহে নে?"

বহুদিনৰ পৰা মানুহ এঘৰে খবৰ পঠাই আছে। ৰাছিদাক চাবলৈ আহিব। মঞ্জুলাই সময় মিলাব পৰা নাছিল কাৰণে আহিবলৈ বাধা কৰি আছিল। এদিন ৰাছিদাক চাবলৈ মানুহ ঘৰ আহিল। ৰাছিদাৰ এতিয়াই বিয়া হোৱাৰ মন নাছিল। তাইৰ আৰু পঢ়িবলৈ মন আছিল। কিন্তু মাকৰ বুজনিত তাই বিয়াত বহিবলৈ মান্তি হ'ল।

ল'ৰাজন আহিল। চা-চিনাকী হ'ল। ল'ৰাই ছোৱালিক চালে। কথা-বতৰা হ'ল। ইজনে-সিজনক চালে, পছন্দ কৰিলে। মঞ্জুলায়ো সকলো ফালৰ পৰা ভালেই দেখিলে। গতিকে ধুম-ধামেৰে সিহঁতৰ বিয়া পতা ব্যৱস্থা কৰিলে। সিহঁতৰ বিয়াখন হৈ গ'ল। জীয়েকক উলিয়াই দি মঞ্জুলাই হিয়া উজাৰি হৈনাই-বিনাই কান্দিলে যদিও পিচ মুহূৰ্তত তাইৰ মূৰৰ পৰা যেন এটা গধুৰ বোজা আঁতৰি গ'ল। তাই যেন জীয়েকৰ দায়িত্বখিনি শেষ কৰিলে।

ৰাছিদাই মনত সকলো আশা-আকাংশা লৈ নতুন এখন ঘৰত স্বামী নিজামৰ সৈতে নিজৰ বৈবাহিক জীৱন আৰম্ভ কৰিবলৈ ধৰিলে।

যিখন ঘৰক তাই সকলো ফালৰ পৰা ভাল দেখিছিল। বিয়াৰ কেইমাহ মানৰ পিছতেই ৰাছিদাই তাইৰ কাণেৰে নুশুনা আৰু চকুৰে নেদেখা কিছুমান কাণ্ড তাই নিজ কাণেৰে শুনিলে আৰু চকুৰে দেখিলে। যিজন স্বামীক তাই ভাল বুলি ভাবিছিল। এজন অত্যন্ত মদপী আৰু জুৱাৰী তাইৰ হাক বচন গিৰীয়েকে একো নুশুনে। তাই গিৰীয়েকক বেছিকৈ ক'লে তাইৰ ওপৰতহে থিয় কিল পৰে। শাহুৱেকৰো অকথ্য গালি। পুতেকৰ দোষবোৰ দেখিও যেন নেদেখা হয়। দিনৰ দিনটো তাই যেন লেদেনা উকতা বান্দীহে। এনেদৰে তাই দুটা সন্তানৰ মাতৃ হ'ল। লাহে লাহে গিৰীয়েকৰ উৎপাত আৰু বেছিকৈহে চৰি গ'ল। তাইৰ আ-অলংকাৰ সকলো বেচি মদ খাই জুৱা খেলি সকলো শেষ কৰি পেলালে। মদ খাই আহি কিবা কিছুমান কথা বলকি তাইৰ লগত তৰ্ক কৰি যেনিয়ে-তেনিয়ে তাইক মাৰধৰ কৰে। তাইৰ যত যি বস্তু আছিল সকলো গিৰীয়েকে নিঃশেষ কৰি পেলালে। এতিয়া তাই একো উলিয়াই দিব নোৱাৰে বাবে তাইৰ ওপৰত অত্যাচাৰ আৰু বাঢ়ি গ'ল। এনেদৰে সদায় তাই শাৰীৰিক আৰু মানসিক অত্যাচাৰবোৰ সহ্য কৰিব নোৱাৰা হ'ল। ভিতৰি চিন্তাই তাইক আৰু অধিক জুৰুলা কৰি পেলালে। যিখন ঘৰৰ পৰা তাই কোনো সহাৰি নাপায় এদিন সেইখন ঘৰ তাই ত্যাগ কৰিব লগা হ'ল।

তাই ঘৰলৈ গুচি আহিল। লগত ল'ৰাটো আৰু ছোৱালীজনীও লৈ আহিল। চুলি আউলি-বাউলি, শেঁতা মুখ, মুখখন দেখিলেই গম পোৱা যায়। কিছুমান বিষাদ বেদনাই জৰ্জৰিত কৰা চিন বৈ গৈছে। খোজ দিও নিদিওঁ কৰি তাই ঘৰ ওলাল। ঘৰ পাই তাই মাকক দেখি চিঞৰি চিঞৰি কান্দি সকলো কথা কবলৈ ধৰিলে। "এয়া মোৰ কি হ'ল, মা, এয়া মোৰ কি হ'ল।"

মঞ্জুলাক যেন বিষাদৰ ধুমুহা এজাকে নেওচি তাইৰ সংসাৰখনৰ সকলো ভাগি-চিগি চুৰমাৰ কৰি অ'ত ত'ত পেলাই থৈ গ'ল। তাই এই ধুমুহা জাকৰ পৰা পৰিত্ৰাণ পাবলৈ অশেষ চেষ্টা কৰিও যেন ব্যৰ্থ হৈ গ'ল। তাই নিজকে নিজে কৈ গ'ল। "মই এইবোৰ কি দেখিছো শুনিছো, এয়া সপোন নে বাস্তৱ।" তাই শিল পৰা কপৌটোৰ দৰে একেথৰে ৰ লাগি জীয়েকৰ ফালে চাই থাকিল।

❖❖❖





# হেঙুলৰ শিবিৰত এখন ৰেল, 'মানস কন্যা' আৰু বহু চকুপানী

—মনোজ সৰকাৰ
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

মৰিগাঁও জিলাৰ মায়ঙত হেঙুল থিয়েটাৰৰ যুদ্ধকালীন তৎপৰতা। ক্ৰন্দনত ভাগি পৰিছে বহুজন। আটাইৰে মুখবোৰ গোমোঠা। নামি আহিছে শোকৰ বন্যা। প্ৰশ্ন হয় কিহৰ বাবে সম্প্ৰতি মায়ঙলৈ নামি আহিছে এনে শোকাৰ্ত পৰিৱেশ? ইয়াৰ গুৰিতে আছে এখন নাটক। আবেগিক, কৰুণ কাহিনীৰ এখন পাৰিবাৰিক নাটক। জনপ্ৰিয় নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই হেঙুলৰ বাবে ৰচনা-পৰিচালনা কৰা নাটকখনেই হৈছে 'মানস কন্যা'। 'মানস কন্যা' নাটকত গোট খাইছে সহস্ৰ নাট্যপ্ৰেমী, অসংখ্য গুণমুগ্ধ। নাট পৰিচালনাত ব্যস্ত নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্য। কেৱল এটাই কথা 'মানস কন্যা'ক চাব লাগে। 'মানস কন্যা' নাটকৰ জনপ্ৰিয়তাই সকলোকে স্তম্ভিত কৰি তুলিছে। মনোজ আৰু নীলাৰ সংসাৰখনৰ মৰ্মান্তিক কাহিনীয়ে সকলোকে কন্দুৱাইছে। নাটকখন প্ৰত্যক্ষ কৰি গম পালো নাটকৰ কাহিনীয়ে গতি লৈছে মনোজ আৰু নীলাক কেন্দ্ৰ কৰি। দুখীয়া পৰিয়ালৰ যুৱক মনোজ আনহাতে এক অভিজাত, আঢ্যৱন্ত ঘৰৰ ছোৱালী নীলা। দুয়োৰে প্ৰেম। তাৰ পিছত বিয়া। দিন মাহ বছৰ বাগৰিল। মনোজ নীলাৰ সংসাৰত সৰু সৰু কথাক লৈ কাজিয়াৰ সূত্ৰপাত। ফলত বিৰহ বিচ্ছেদ আৰু? লোকেল ট্ৰেইনখনলৈ ষ্টেচনত নীলা আহিব বুলি বাট চাই ৰ'ল মনোজ। কিন্তু নীলা আহিলনে উভতি? তেওঁলোকৰ ফাটমেলা সংসাৰখন জোৰা লাগিলনে? দৰ্শকক ইয়াৰ উত্তৰ দিব হেঙুলৰ মানস কন্যাই। নাট্যকাৰ ভট্টাচাৰ্যই আমাক নাটকখনৰ বিষয়ে যৎকিঞ্চিত জনালে। এইদৰে আমাৰ সমাজত প্ৰায় দেখা যায় যে অতি ধনী ঘৰৰ ধুনীয়া, উচ্চশিক্ষিত যুৱতীয়ে কেতিয়াবা দৰিদ্ৰ পৰিয়ালৰ কম শিক্ষিত যুৱকৰ সৈতে প্ৰেম কৰি আবেগিকভাৱে বিয়াখন পাতি পেলায়। কিন্তু পিছৰ সময়ছোৱাত বিভিন্ন কাৰণত সেই সংসাৰত আউল লাগে। বিচ্ছেদ পৰ্যন্ত হয়। তৎসত্ত্বেও তেওঁলোকৰ মাজত থকা মৰমৰ বান্ধোন ছিঙি নাযায়। এয়াই 'মানস কন্যা'ৰ বিষয়।

নাটকখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰা দেখা যায় জনপ্ৰিয় অভিনেতা আকাশদ্বীপ আৰু অভিনেত্ৰী আঙুৰলতাক।

❖❖❖

# জোনাকবিহীন জীৱন

—মল্লিকা দে
দ্বিতীয় ষাণ্মাসি

পুৱাৰ কোমল সূৰুযৰ মৃদু ৰেঙণি আৰু পক্ষীৰ কিচিৰ মিচিৰ শব্দই শ্ৰুতিৰ টোপনি ভাগি দিলে। সময়তকৈ আজি অলপ দেৰিকৈ উঠিম বুলিয়েই তাই টোপনি নগৈ একমাত্ৰ পল্লৱৰ কথাই ভাবি থাকিল। সকৰে পৰা তাৰ কোনো শুংসূত্ৰই নাই। নাই যেন তাইৰ ওপৰত তাৰ কোনো দায়িত্ব। খং উঠি যায় তাইৰ, তাৰ কথা ভবিলে। তথাপি তাই মনে-প্ৰানে কামনা কৰে সি য'তেই নাথাকক ভালেৰেই থাকক। আজি পল্লৱৰ জন্মদিন। সেইবাবে হয়তো আজি তালৈ বেছিকৈ মনত পৰিছে। সি হয়তো আজি তাইলৈ এবাৰ হ'লেও ফোন কৰিব। বিচনাতে পৰি তাই ঠিৰাং কৰিলে যে তাই আজি অফিচলৈ নাযায়। দিনটো পল্লৱৰ নামতে ব্যস্ত থাকিব। কথাখিনি ভাবি তাইৰ মনটো কিবা এটা ভাল লাগি গ'ল। ইমান দিনে ডাৱৰে আবৰা মনটোক আজি মুকলি মুকলি দেখা গ'ল। একেজাপে বিচনাৰ পৰা উঠি চিধাই বাথৰুমত সোমাল। বাথৰুমৰ পৰা ওলাই কিবা চাহ একাপ কৰাই আৰামকৈ বহি চাহত শোহা মাৰিলে। তেতিয়াও তাই পল্লৱৰ কথাই ভাবি আছিল। যাৰ বাবে তাই আজিও জীৱনৰ বাটত আশাৰ সম্বল নেহেৰুৱাকৈ জীয়াই আছে। যাক তাই নিজতকৈও বেছি ভাল পায়। সি হয়তো খুব ধুনীয়া হৈছে। কথাখিনি ভাবি থাকোতেই টেলিফোনটো বাজি উঠিল আনন্দতে দৌৰি গৈ ৰিচিভাৰ তুলি সঁহাৰি জনা যদিও সিমূৰৰ কথাৰ প্ৰতি কোনো প্ৰতিক্ৰিয়া দেখ নগ'ল। খঙতে ৰিচিভাৰটো থৈ আহি আকৌ চোফাখনতে আৰামকৈ বহি মনতে ভোৰভোৰা 'মাহী! সৰুতে মা-দেউতা ঢুকোৱাৰ পাছত মোৰ প দূৰে দূৰে আঁতৰি থাকিল আৰু আজি ইমান দিনৰ মূৰ ফোন কৰি চিধাই সোধে বাতৰি কাকতখন চাইছ নাই। সেইটো মোৰ কথা চাওঁনে নাচাও, সিহঁতৰ গৰজডাল পৰিছে। এবাৰো পল্লৱৰ কথা নুসুধিলে' এনে লাগিছিল যেন তাই টেলিফোনটোকে ভাঙি আহিব। তাই নিজকে চম্ভালি ফ্ৰেচ' হৈ বাহিৰলৈ ওলা বস্তু অলপ কিনিবলৈ। লগতে পল্লৱৰ বাবেও ভা ধুনীয়া উপহাৰ এটা আনিব।

বস্তুবোৰ কিনি ঘৰলৈ বাট লওঁতেই তাইৰ মন পৰিল মাহীয়েকে ফোনত কোৱা কথাখিনি। মনটো নমনাত বাতৰি কাকত এখন কিনি হেড্‌লাইনত চ ফুৰালে। ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে— "দুৰ্ধ উগ্ৰপন্থী জয়ন্তৰায় ওৰফে পল্লৱ ফুকন পুলিচৰ গুলী নিহত।" কাকতত আছে পল্লৱৰ ৰক্তাক্ত মৃতদেহ ফটো। কিন্তু সেইজনা পল্লৱ হয় জানো। যাৰ বাবে আজিও তাই জীয়াই আছে। যি পল্লৱে তাইক সৰুতে কৈছিল— "বাইদেউ তোমাৰ বিয়াত ময়ো তোমাৰ লগতেই যাম"।

চকু মেলি দেখিলে তাই এখন ব্যক্তিগত নাৰ্চিংহোমৰ বেডত পৰি আছে। ইফালে-সিফালে মূৰ তুলি দেখিলে, ওচৰতে আছে মাহী-মহা, মামা-মামী সকলো। তাই লাহেকৈ উঠি বহি খিৰিকীৰে আকাশলৈ চালে। এনে লাগিল যেন তাইৰ সকলো কথা আকাশখনেহে বুজি পায়। চিঞৰি চিঞৰি ক'বলৈ মন গ'ল— "পল্লৱ, মোকো লৈ যোৱা তোমাৰ লগত"। কিন্তু নোৱাৰিলে, দুচকুৰে কেৱল দুধাৰি চকুলো বৈ আহিল।

❖❖❖

# কুইজ

সংগ্ৰাহক ঃ মল্লিকা দেৱী, কামাখ্যা দাস
দ্বিতীয় ষাণ্মাসিক

১। ক্ৰিকেটৰ বেট তৈয়াৰ কৰিবলৈ বিশেষকৈ কি গছৰ কাঠ ব্যৱহাৰ কৰা হয়?
উত্তৰঃ উইলো।

২। আমাৰ শৰীৰৰ আটাইতকৈ কঠিন বস্তুটো কি?
উত্তৰঃ এনামেল।

৩। হাড় আৰু দাঁত মূলতঃ কিহৰ দ্বাৰা গঠিত?
উত্তৰঃ কেলছিয়াম।

৪। কোনখন নগৰ ইউৰোপ আৰু এচিয়া দুই মহাদেশতে অৱস্থিত?
উত্তৰঃ ইষ্টানবুল।

৫। কোনটো প্ৰানী উভচৰ?
উত্তৰঃ ভেকুলী।

৬। কোনখন ভাৰতীয় ৰাজ্যত মাত্ৰ দুখন জিলা আছে?
উত্তৰঃ গোৱা।

৭। আটাইতকৈ অধিক ব্যৱহাৰ কৰা গছ বিধৰ নাম কি?
উত্তৰঃ আখৰোট।

৮। কেতিয়া পৃথিৱীৰ সকলো ঠাইতে দিন ৰাতি সমান হয়?
উত্তৰঃ ২১ মাৰ্চত।

৯। ক'লকাতা কোন নদীৰ পাৰত?
উত্তৰঃ হুগলী।

১০। "জাগ' গ্ৰাহক জাগ" শ্লোগান কাৰ উদ্দেশ্য দিয়া হয়?
উত্তৰঃ ক্ৰেতা।

১১। হেপাটাইটিছে দেহৰ ক'ত আক্ৰমণ কৰে?
উত্তৰঃ লিভাৰত।

১২। কোনটো বিভাগত নোবেল বঁটা দিয়া নহয়?
উত্তৰঃ সংগীত।

১৩। ছিগাৰেটৰ পেকেটত বিধিসম্মত কি সতৰ্কীকৰণ কৰা হয়?
উত্তৰঃ ধূমপান নিষিদ্ধ।

১৪। জীৱন চক্ৰৰ দিশৰ পৰা উদ্ভিদৰ আটাইতকৈ দৰকাৰী অংগটো কি?
উত্তৰঃ ফুল।

# চোৰৰ শপতনামা

—সুখ-শান্তী মণ্ডল
স্নাতক, দ্বিতীয় ষাণ্মাসিক

বৰনামঘৰৰ ভাগৱত চুৰি হোৱা ঘটনাটো বনজুইৰ দৰে বিয়পি পৰিল। মানুহৰ ঘৰৰ তলা ভাঙি চুৰি কৰাৰ প্ৰথাটোৱে সিহঁতে ভগৱানৰ ঘৰতো হাত দিছে। দুই এজনে কামটো বাপু, ধন আৰু নগেনৰ দ্বাৰাই হোৱা বুলি সন্দেহ কৰিছে। তথাপি চকুৰে দেখা নাই যেতিয়া কাকনো ধৰিব। অকল সন্দেহ হ'লেইতো নহ'ব, প্ৰমাণোতো লাগিব।

কথাবিলাক মনতে পাগুলি থাকোতেই হঠাৎ কলিং বেলটো বাজি উঠাত সম্বিত ঘূৰাই পালো আৰু চিন্তা কৰিলো, চোৰ বা ডকাইত নহয়তো। ঘৰত মই অকলশৰীয়া বুলি জানিয়েই অহা নাইতো? কিবা ভয় লাগি গ'ল। ভয়ে ভয়ে মাত দিলো 'কোননো'? বাহিৰৰ পৰা 'মইহে' বুলি কোৱা মাত এটা ভাঁহি আহিল। আকৌ চিন্তা কৰিলো মইহে বুলি কোৱাজন বা কোন? পুনৰ চিঞৰি কলো— 'কোন মই'?

"বৰ ভয় কৰাহে তুমি, দুৱাৰখন খোলা।' বাহিৰত এওঁৰ মাতটো বুজিব পাৰি ততাতৈয়াকৈ গৈ দুৱাৰখন খুলি দিলো।

"হেৰা গাঁৱৰ কাৰণে ভাল খবৰ বুজিছা, চুৰি হোৱা ভাগৱতখন হেনো বিচাৰি পালে।" —হাতত লৈ অনা মোনাটো মেলৈ বুলি আগবঢ়াই তেওঁ ভিতৰলৈ সোমাই আহিল।

"পালে মানে? চুৰি হোৱা ভাগৱতখন আকৌ ক'ত পালে?" —বৰ আগ্ৰহেৰে তেওঁক সুধিলো।

ভাগৱতখন পোৱাটো ডাঙৰ বিষয় নহয় কিন্তু ভাগৱতখনৰ ভিতৰত পোৱা টোকাটোহে ডাঙৰ কথা, হাত ঘড়ীটো খুলি টেবুলত থৈ তেওঁ কলে।

"কিনো খোকোজা লগাকৈ কথাবোৰ ক অ'? ভালকৈ কথাবোৰ ভাঙি-পাতি ক'ব নোৱাৰে নেকি?" —এক প্ৰকাৰে ভেকাহি মাৰি কোৱাদিয়েই ক'লো।

মোৰ কথাটোত হাবিয়াস দেখি তেওঁ চোফাখনতে বহি পৰিল আৰু ক'লে— "শুনা তেন্তে কালি সন্ধিয়া হেনো ভাগৱতখনি ঠগাৰ সৈতে মণিকূটৰ দুৱাৰমুখতে চোৰ কেইটাই থৈ গ'লহি। সন্ধিয়া বোলে নামঘৰীয়াই ভাগৱতখন মণিকূটত থ'বলৈ যাওঁতে তাৰ পৰা এখনি কাগজ সৰি পৰিল। কাগজখনত কি লিখা আছিল জানা? "বজাৰত বেজীটোৰ পৰা হাতীটোলৈকে প্ৰত্যেকটো বস্তুৰে দাম বাঢ়িছে। যাৰ কাৰণে এতিয়া মানুহৰ ঘৰৰ পৰা চুৰ কৰিবলৈকো আমাৰ বেয়া লগা হৈছে। সেয়ে এই কাম কৰিছিলো। কিন্তু এনে কাম কৰি আমি বৰ লজ্জিত হৈছো। আমি চোৰ প্ৰবৃত্তি এৰিব বিচাৰিছো। সম্পূৰ্ণ সুস্থ মন, মগজু তথা স্ব-ইচ্ছাৰে আমি ভাগৱতৰ নামত আজিৰে পৰা এক নিকা জীৱন কটোৱাৰ শপত ল'লো। ৰাইজে যেন আমাক সন্দেহৰ দৃষ্টিৰে নাচায়। ভগৱানে যেন আমাক শক্তি দিয়ে। ইতি—

বাপু, ধন আৰু নগেন।

প্ৰথমবাৰৰ কাৰণে চোৰৰ শপত নামা জানি মই তবধ মানিলো।

কথাবোৰ ভাবি-ভাবি এখোজ-দুখোজকৈ এওঁৰ হাতৰ পৰা বজাৰৰ মোনাটো লৈ পাকঘৰ পালোহি। এনেতে বাথৰুমৰ পৰা পতিদেৱৰ চিঞৰ ভাঁহি আহিল— "হেৰা, চাহ একাপ নিদিয়া জানোঁ?"



# ৯৯ খন অসমীয়া চলচিত্ৰৰ নাম সংপৃক্ত এখন প্ৰেম আৰু বেদনাৰ চিঠি

—শ্ৰীপৱন কুমাৰ বিষয়া
সহকাৰী অধ্যাপক
ৰাজনীতি বিভাগ

'ৰূপহী'
তাং ঃ পহিলা বহাগ

মৰমৰ 'নয়নমণি'

মৰম ল'বা। কোঠাৰ খিৰিকীৰে 'ফাগুনী'ৰ 'ধুমুহা' আৰু 'চিকমিক্ বিজুলী'ৰ পোহৰ পৰিছেহি। মোৰ 'সপোন'ৰ 'কাঁচঘৰ'ত 'বনহংস'ৰ 'খোজ' আৰু কলৰৱৰ দৰে তোমাৰেই 'প্ৰতিধ্বনি'। মোৰ 'মন-মন্দিৰ'ত 'সুৰুয'ৰ 'কণিকা'ৰ 'ৰামধেনু'ৰ ৰং আনি 'অৰণ্য'ৰ 'ৰূৰীয়া ফুলেৰে' সজোৱা তোমাৰ ছবিখন আজিও সজীৱ। 'প্ৰেম জনমে জনমে' যদিও 'প্ৰথম ৰাগিনী'ৰ আমাৰ মাজৰ সেই প্ৰেম আজি 'ইতিহাস'। তথাপি 'হৃদয়ৰ আঁৰে আঁৰে', 'বুকুৰ মাজত জ্বলে' তোমাৰ মুখ। ক'ব মন যায়— 'তুমি মোৰ মাথোঁ মোৰ'। কিয় জানো জীৱনৰ অসহনীয় 'অশান্ত প্ৰহৰ'ৰ পিছত 'প্ৰভাতী পখীৰ গান'ৰ দৰে শুনিব মন যায় তোমাৰ মৰমসনা কথা।

মনত পৰেনে, 'ময়ূৰী', 'জয়মতী', 'ৰশ্মিৰেখা', 'শকুন্তলা', 'তৰামাই'হঁতৰ আগত সেই 'বহাগৰ দুপৰীয়া', 'হিয়া দিয়া নিয়া'ৰ অংগীকাৰ কৰি মোক তোমাৰ 'প্ৰিয়জন' কৰাৰ কথা? মনত পৰেনে, 'মৰম নদীৰ গাভৰু ঘাট'ত 'গঙা চিলনীৰ পাখি' বিচাৰি কলম সাঁজোতে তোমাৰ সেই আঙুলিত কটা 'দাগ'টোৰ কথা?? 'হালধীয়া চৰায়ে বাঁওধান খাব' এতিয়াও আহেনে??? 'শকুন্তলা শংকৰ যোচেফ আলি' হঁতে কেঁকুৰিটোত 'খেল' খেলিব আহেনে?? জীৱনটো "যোগ-বিয়োগৰ' এটা 'নিমিলা অংক' হৈয়ে ৰ'ল। যৌৱন সমুদ্ৰৰ 'চাকনৈয়াৰ' চক্ৰবেহুত পৰি 'লটিঘটি' হৈ জীৱনত 'পাৰঘাট' হেৰুৱালো। 'চুৰেন চোৰৰ পুতেক', 'চিৰাজৰ', 'প্ৰতিশোধৰ', 'ফিৰিঙতিত অগ্নিৰ', 'অদাহ্য' হৈও 'বাৰুদ' আৰু 'বনজুইৰ' দৰে জ্বলি পুৰি শেষ হ'ল মোৰ 'পুতলা ঘৰ'। এয়াই মোৰ 'বিধাতা'ই লিখা 'ভাগ্য'।

শুনিছো 'মাঘত মামনিৰ বিয়া'। 'অনিবাৰ্ণেও', 'সেন্দুৰ' পিন্ধাই 'মানসীক', 'বোৱাৰী' কৰি 'ঘৰ-সংসাৰ' কৰিলে। 'পাপৰি'য়েও হেনো 'পলাশৰ ৰঙে'ৰে, 'বাংঢালী' হৈ 'নায়ক' বিচাৰি 'কাদম্বৰী' আৰু 'ইন্দ্ৰমালতী'ৰ লগ লাগিছে। শুনিছো 'ৰিক্সাবালা' হ'লেও 'হলধৰে', 'ৰণাংগনৰ', 'মহাৰথী' সাজি 'ৰঙানদীৰ ঘাটৰ' পৰা 'সোণতৰাক' পুলুৱাই নি ঘৰ পাতিছে। পিছে তোমাক 'অগ্নিসাক্ষী' কৰি 'ভাইটিৰ', 'আজলী নবৌ' জনী কৰি

আনি 'বৰুৱাৰ সংসাৰৰ' দৰে 'ভাই-ভাই' 'পিতা-পুত্ৰ'ৰে ভৰা এখন ঘৰ পতাৰ যি 'সংকল্প' তেনেকৈয়ে ৰ'ল। চোৱা 'যৌৱনে আমনি কৰিলেই' নাইবা 'মন-প্ৰজাপতিয়ে' পৰিধি ভাঙিলেই 'অধিনায়কৰ' দৰে 'যুঁজ' কৰি 'ককাদেউতাৰ ঘৰ জোৱাই' হ'ব যাবও নোৱাৰো। তুমিতো জানা মোৰ প্ৰাণৰ 'অবুজ-বেদনা' নাইবা মোৰ 'জীৱন তৃষ্ণা'। তুমিতো সাগৰ, 'সাগৰলৈ বহু দূৰ' বুলি জানিও 'নিষিদ্ধ নদীৰ' পাৰৰ 'ৰে'লৰ আলিৰ দূৰৰি কা হৈ মই তোমাক চুব নোৱাৰো।

বহু নিশা হ'ল। তোমাকো ছাগে 'পোণাকণে' আমনি কৰিব। পুনৰ মৰমৰে, শুভৰাত্ৰি।

তোমাৰ
'পূবেৰুণ'

বিঃ দ্ৰঃ — 'পিয়লি ফুকন', 'মনিৰাম দেৱানৰ' দৰে 'এই দেশ মোৰ দেশ' বুলি শ্বহীদ নহ'লো যদিও ধেমাজিৰ বোমা বিস্ফোৰণত সোঁ ভৰিখন হেৰুৱাই বিকলাংগ হ'লো। যোৱা দহোটা বছৰে চিকিৎসালয়ৰ বিছনাত ড° 'বেজবৰুৱা', 'দীনবন্ধু আৰু 'উজনিৰ দুজনী গাভৰু' নাৰ্চৰ চেষ্টাত কৃত্ৰিম ভৰিৰে অলপ অলপ খোজ কাঢ়িব পাৰো। মাজে মাজে খবৰ কৰিবাচোন!...



# কবিতা

# প্ৰগতি

—উৎপল নাথ



এই নৈৰ পাৰতেই আছিল
মোৰ আপোন গাঁওখন
সিপাৰে আছিল এখন সেউজীয়া অৰণ্য

নৈখনৰ পানীবোৰ বৰ ফটফটীয়া আছিল
মাজৰাতি জোনাকে আহি তাত মেলাও পাতিছিল
নৈখনৰ পানীবোৰ বৰ সোৱাদ লগা আছিল
বাটৰুৱাই উদৰ পূৰাই তাৰ পানীও খাইছিল
নৈখন মাছে-পুঠিয়ে উভৈনদী আছিল
সেয়ে তাত নিৰন্তৰ চলিছিল মাছুৱৈৰ নাও।

এই নৈৰ পাৰতেই আছিল
মোৰ আপোন গাঁওখন
সিপাৰে আছিল এখন গভীৰ অৰণ্য।

অৰণ্যখনো বৰ বৰ গছেৰে ভৰপূৰ আছিল
গছে গছে ঘৰ সাজি আছিল সৰু বৰ বিবিধ চৰাই
অৰণ্যখনৰ গছ-লতাবোৰো আছিল ঘন-ডাঠ-সেউজীয়া

সিহঁতে গাঁওখনক যোগাইছিল উশাহৰ অক্সিজেন।
এই নৈৰ পাৰতেই আছিল
মোৰ আপোন গাঁওখন
সিপাৰে আছিল এখন সেউজীয়া অৰণ্য।

বৰ জীৱন্ত আছিল এই প্ৰাচীন নৈখন
বৰ সবল আছিল মোৰ পুৰাতনীয়া গাঁওখন
বৰ উদাৰ আছিল সেই আদিম অৰণ্যখন।

এদিন প্ৰগতিৰ চকৰি ঘূৰি ঘূৰি আহি
অৰণ্যখনত প্ৰৱেশ কৰিলে
অৰণ্য গুচি তাত গঢ়ি উঠিল উদ্যোগ-অট্টালিকা
মুকলি আকাশত উৰিল ধোঁৱাৰ কুণ্ডলী
আৰু ক্ৰমে ক্ৰমে
নৈখনৰ পানীবোৰ হৈ পৰিল এলান্ধুকলীয়া ক'লা
গাঁওখনে নৈখনৰ পানী খাবলৈ এৰিলে
এখন এখনকৈ পাৰত উঠিল মাছুৱৈৰ নাও।

এনেকৈয়ে মৃতপ্ৰায় হ'ল এই প্ৰাচীন নৈখন
এনেকৈয়ে উছন্ন হ'ল মোৰ আদিম গাঁওখন
এনেকৈয়ে নিঃচিহ্ন হ'ল তাহানিৰ সেই অৰণ্যখন।

আজি কালি
এই নৈৰ পাৰলৈ কোনো নাহে
মাজৰাতি নৈৰ বুকুত জোনাকেও মেলা নাপাতে
নচলে মাছুৱৈৰ আশা ভৰষাৰ নাও।

# মোৰ গাঁওখন গাঁও হৈ থকাই ভাল

—উৎপল নাথ

মোৰ গাঁওখন গাঁও হৈ থাকিলেই মই ভাল পাম
চহৰ হ'ব নালাগে
নহ'লে হেৰাই যাব গাঁৱৰ সাতামপুৰুষীয়া সৰলতা।

গাঁওখন গাঁও হৈ থাকিলে
ধলপুৱাতে পদুমীয়ে পদূলি সাৰিব
পথৰা গৰুহাল লৈ
ৰমাকাই হাললৈ ওলাব
পথাৰখন সেউজীয়া হ'ব
তাত সোণ গুটি গজিব
সেই সোণ আহি ভঁৰাল ভৰিব
ৰমাকাই, পদুমীয়ে সুখেৰে দুসাজ খাব।

গাঁওখন চহৰ হ'লে
পথাৰত অট্টালিকা হ'ব
কল-কাৰখানাৰ ধোঁৱাই আকাশখন ক'লা কৰিব
ক'লা মনৰ মানুহেৰে গাঁওখন ভৰি পৰিব
ভঁৰাল ভৰাবলৈ সিহঁতে কৰণীৰে ধন চপাব
ধন চপোৱাৰ অঘোষিত প্ৰতিযোগিতা চলিব
ৰমাকাই, পদুমীহঁত তাত পাছ পৰি ৰ'ব
হয়তো সময়ৰ ঢৌত এদিন হেৰাই যাব।

গাঁওখন গাঁও হৈ থাকিলে
'গধুলি বেলা' নামঘৰত শংখ ঘন্টা বাজিব
দবাৰ কোবত আইতাই 'হৰি হৰি' ক'ব
নাতিহঁতক পৰীৰ দেশৰ সাধু কৈ শুনাব
মানুহবোৰ মানুহ হৈয়ে থাকিব।

গাঁওখন চহৰ হ'লে
এইবোৰ একো নহ'ব
মানুহবোৰ যন্ত্ৰ হ'ব
যন্ত্ৰৰ দৰে কৰ্কশ হ'ব মানুহৰ মাত-কথা।

# জোনাকী নিশা

—সঞ্জয় বৰা
দ্বিতীয় ষাণ্মাসিক

প্ৰতিটো দৃষ্টিৰ আঁৰত
কাৰোবাক পোৱাৰ হেঁপাহ থাকে।
প্ৰতিটো হাঁহিৰ আঁৰত
কিবা এটা মিঠা কথা থাকে।
হৃদয়ৰ প্ৰতিটো কঁপনিৰ আঁৰত
পুৰণি কিবা স্মৃতি থাকে।
তোমাৰ প্ৰতিটো উশাহৰ সৈতে
মোৰ এই উতনুৱা উশাহটো থাকে।
আৰু কিমাননো থাকিবা তুমি
কোনোবা বিদেশত আত্মগোপন কৰি
মোৰ পৰা আঁতৰি?



# শ্ৰদ্ধাঞ্জলি

—মনোজ সৰকাৰ
চতুৰ্থ ষাণ্মাসিক

হে, ভাৰতীয় বীৰ জোৱান
তোমাক কৰিছো প্ৰণাম।
তোমাৰ সৎ সাহসেৰে যুঁজি,
কাৰগিল ৰণাংগনত
দিছিলা প্ৰাণ আহুতি।
সংসাৰৰ মায়া মোহ এৰি
ভাতৃ-ভগ্নী-পিতৃ মাতৃৰ
স্নেহক নেওচি
শত্ৰুৰ স'তে যুঁজি
ৰক্ষা কৰিলা জন্মভূমিক।
কাৰোবাৰ কপালৰ ৰঙা ফোঁট মচি,
আন কোনোবা মাতৃৰ
বুকু শুদা কৰি
হ'লাগৈ দেশৰ শ্বহীদ
বুকুৰ তেজেৰে লিখিছিলা
আমাৰ ভাৰত স্বাধীন বুলি।
আজি
জনাইছো তোমাক
শত কোটি প্ৰণাম।
যাচিলো তোমাক মোৰ
শেষ শ্ৰদ্ধাঞ্জলি।



# মায়ং মোৰ জন্মভূমি

—ৰূপমণি বৰা
স্নাতক দ্বিতীয় বৰ্ষ

মায়ং মোৰ জন্মভূমি
মোৰ বুকুৰ আপোন,
এই মায়ঙত ডাঙৰ দীঘল হৈ
ৰচিছো বহুত সপোন।
এই মায়ঙত শিক্ষা ললো
শিকিলো মোৰ ভাষা,
ভাল লাগে ইয়াৰ লক্ষ্মীপূজা
পূৰ্ণিমাৰ জোনাক নিশা।
এই মায়ঙৰ উৎসৱবোৰ
কিমান যে ধুনীয়া,
কুলি কেতেকীৰ সুৱদি মাত
তাতোকৈ সুৰীয়া।
মায়ঙত আছে ধাননি পথাৰ
সেউজীয়া পথাৰেৰে ভৰা
পথাৰতো বহু ধান হয়।
মোটা মোটা আকাশৰ তৰা
কিনো কম মায়ং অঞ্চলৰ
সকলো মহিমা
কৈ থাকিলে ওৰকে নপৰে
মায়ঙৰ গুণ-গৰিমা।

# জীৱন

—দীপাঙ্কৰ বিশ্বাস
দ্বিতীয় ষাণ্মাসিক

বহু আশাৰে ভৰা আমাৰ এই জীৱন
যাব লাগিব এই পৃথিৱী এৰি,
হ'ব এদিন সকলোৰে মৰণ।
কৰি যোৱা সদায় নিজৰ কৰ্ম
প্ৰতিদিন প্ৰতিপল
তেতিয়াহে তোমাৰ হ'ব ধৰ্ম।
দুদিনিয়া জীৱনত নকৰিবা গৌৰব
হয়তো তুমি এদিন এৰিবা
জীৱনৰ সকলো সৌৰভ।
এৰিব লাগিব এই ধুনীয়া ধৰা
তেনেহ'লে সকলো কৰ্ম
কিয় এই জীৱনতে নকৰা।
কৰা কাৰ্য সকলোৰে যোৱা আগুৱাই
যিয়ে নকৰে কৰ্ম
সি নিজৰ জীৱন বাটতে পিছুৱায়।
মৰম কৰিলেহে মৰম পায়
মৰম অবিহনে এই পৃথিৱীত
জীয়াই থকাৰ আন উপায় নাই।
মানৱী জীৱন লৈ মানুহ
হয় পশুতকৈ অধম
সেয়ে জানো নুবুজে অকণো
মানুহৰ মৰম।
জীৱনত কেৱল মানুহ
নিজৰ বাবে ব্যস্ত।

সেইকাৰণে গৈছে জীৱন
পশ্চিমৰ বেলিৰ দৰে অস্ত
এয়া জানো হয় জীৱন
জীৱন মানে শান্তি
য'ত থাকে হাঁহি-ধেমালি
আৰু বহু আশাৰ বস্তি।

# নিশাবোৰ

—মৃদুস্মিতা বিষয়া
দ্বিতীয় ষাণ্মাসিক



নিশাবোৰ কিয় ইমান গভীৰ হয়
আকাশ কিয় ইমান নীলা হয়
যাৰ বুকুৰে উচুপি উঠে
হিয়াৰ উচুপনি শুনি
বিনাই কান্দে নীলাৰ পখীয়ে
জিলমিল জোনাক নিশা
দুচকু মুদিলে
উজাগৰি হিয়াই বিনাই মাতে
উচুপি উঠে হৃদয় আৰু....
আৰু দুধাৰি সেমেকা চকুলো....



# সেন্দুৰ

—ধ্ৰুৱজ্যোতি ডেকা
চতুৰ্থ ষাণ্মাসিক

তোমাৰ শিৰত
টিক টিককৈ
ৰঙা সেন্দুৰ আৰু এক
অপূৰ্ব ......কাহিনী।
খুলি ক'ব নোৱাৰো কাকো
মাথো মনতেই বান্ধি ৰাখো।।
নিসংগতাৰ ৰাতিবোৰত
পল গনি শেষ নহয়।
কাষত তোমাক পোৱাৰ বাবে
আকুল হৃদয়।।
কোন আপোন কোননো পৰ
মায়াৰে উমলা এক অবাস্তৱ ঘৰ
কিয় জানো ভাঙি যায় পলকতে।
ভাগ্যই কপালত লিখিলে ব্যৰ্থতা
সেন্দুৰে আঁকিলে কেৱল শূন্যতা।
বিধাতাই থাকে ৰং চাই।।
চাৰিওফালে কেৱল ৰঙা ৰঙে
মোক কৰে হাহাকাৰ
গুজৰি গুজৰি নামি আহে
জীৱনৰ বাবে এক অন্ধকাৰ।
প্ৰতিটো খোজতেই সংঘাত
সাৱটি ফুৰিছো মাত্ৰ শূণ্য দুহাত।।



# অধিকাৰ

—পূৰ্ণিমা ডেকা
চতুৰ্থ ষাণ্মাসিক

নিজান নীৰৱ নিশা পূৰ্ণিমাৰ দিনা
গছ-গছনিবোৰে আৰু ঠাণ্ডা বতাহজাকে
মোক গুণগুণাই ক'লে যে—
পাৰিবানে যুঁজত জয়ী হ'বলে?
মনুষ্য জীৱন ধাৰণে
বহু কথা শিকালে
নৰৰূপী আমি জ্ঞানৰ বিভূষিত
কৰো যদি পশুৰ কাৰ্য
পাহৰি যোৱা যাব আমি পশু নে মনুষ্য
হিংসাত্মক সমাজে কৰিব, পৰিৱেশ দূষিত
আমি পাৰিম জানো নতুন সমাজ গঢ়িব?
পৰাধীনতাৰ মন লৈ, স্বাৰ্থৰ অধীন হৈ
কোনো কাম কৰিবলৈ সম্ভৱ নহয়।
মনত বিপুল সাহস লৈ
পশু-পক্ষী, গছ-গছনি, জীৱ-জন্তু আদি
সিহঁতৰ অধিকাৰ হস্তক্ষেপ নকৰি
সম্পূৰ্ণ কৰিম আমি
সুস্থ সবল সমাজৰ সৃষ্টি।

# পথিক

—মণি ৰাজকুমাৰ
দ্বিতীয় ষাণ্মাসিক

মই এই অনন্ত বিশ্বৰ
এজন নিৰ্ভীক পথিক
যাত্ৰা কৰো কেতিয়াবা আকাশ,
কেতিয়াবা সাগৰ আৰু
কেতিয়াবা পাতাল পথেৰে...।
বিচাৰো অমৃত জ্ঞান ভাণ্ডাৰ
বিশ্বৰ কোণে কোণে
দুৰ্গমক সুগম কৰি
এন্ধাৰক পোহৰ কৰি
গতি কৰো দূৰ দিগন্তলৈ...।
মই এই অনন্ত বিশ্বৰ
এজন অকলশৰীয়া পথিক,
সংগীৰ সন্ধান কৰো
দেশৰ প্ৰান্তে প্ৰান্তে....।
মৰমৰ শলিতাৰ বন্তি জ্বলাই
হৃদয় পথৰ সন্ধান কৰো
প্ৰতিজনৰ অংগে...।
মই এই অনন্ত বিশ্বৰ
এজন নিৰ্ভীক পথিক
গতি কৰো জীৱনৰ
অন্তিম বিন্দুলৈ.....।



# মৰমৰ আমাৰ জলজলী গাঁও

—ৰবিন্দ্ৰ বিশ্বাস
দ্বিতীয় ষাণ্মাসিক

এইখন আমাৰ জলজলী গাঁও
বাৰিষা আহিলেই তল যাওঁ,
পূবত আছে বুৰ গাঁও পশ্চিমত মায়ং
দক্ষিণত আছে হাতীভাঙী হাইস্কুল
উত্তৰ দিশে আছে ব্ৰহ্মপুত্ৰ নদী।
মাজত আছে আমাৰ জলজলী গাঁও (গৰুবান্ধা)
শুৱনি আমাৰ গাঁওখন
অতি ধূলি-মাকতিৰে ভৰা।
যদি আছে বোকা-পানী
ৰাস্তা-ঘাট বৰ বেয়া।
তথাপিও আমাৰ গাঁওখন
অতি মৰমৰে ভৰা।
চাইকেলেৰে মায়ং যাওঁতেই
ডেকাবোৰ হয় আধা বুঢ়া।
ৰাস্তাত আছে শিল গুটি
ভৰি দিলেই খাও উজুটি।
যদিও হৈছিল ৰাস্তা-ঘাট
চলিল দুদিন গাড়ী
ব্ৰহ্মপুত্ৰই চাৰিওপিনে ধৰিছে আগুৰি
মনত পৰিলেই গা উঠে শিয়ৰি
যাব লাগিব এদিন মৰমৰ গাঁও এৰি।



# তিনিৰ মহত্ব

—ছফিউল্লাহ আহমেদ (বাবু)
ষষ্ঠ ষাণ্মাসিক

তিনিটা বস্তুৱে জীৱনত কালৈকো অপেক্ষা নকৰে।
জন্ম, মৃত্যু আৰু সময়।
তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়
পিতৃ, মাতৃ আৰু যৌৱন
তিনিটা বস্তু সদায় নিজৰ অধীনত থাকে
কাম, ক্ৰোধ আৰু মোহ
তিনিটা বস্তুক সদায় স্মৰণ কৰিব লাগে
ঈশ্বৰ, মৃত্যু আৰু প্ৰেম
তিনি জনক সদায় সন্মান কৰিব লাগে
পিতৃ, মাতৃ আৰু গুৰু
তিনিটা বস্তুৰ পৰা নিজকে বচায় চলিব লাগে
কু-সংগ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।
তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে
শিশু, ভোকাতুৰ আৰু পাগল
তিনিটা বস্তু ওলাই গলে ঘূৰি নাহে
শৰ, মুখৰ কথা আৰু প্ৰানবায়ু
তিনিটা কথা কেতিয়াও পাহৰিব নালাগে
কৰ্তব্য, ঋণ আৰু আত্মসন্মান
তিনিটা বস্তুৱে জীৱন নষ্ট কৰে
কু-চৰিত্ৰ, আলস্য আৰু অহংকাৰ
তিনিটা বস্তুৱে আয়ুস কমায়
অসৎ চিন্তা, পৰৰ অনিষ্ট আৰু পৰচৰ্চা
তিনিটা বস্তুৱে জীৱন মহৎ কৰি তোলে
সৎ চিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন

"ৰাতি যিমানে কঠিন হ'ব প্ৰভাত সিমানে উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিবা, প্ৰভাত হ'বই।" —জ্যোতিপ্ৰসাদ আগৰৱালা

# জীৱন চাকি

—বুলবুলি নাথ
ষষ্ঠ ষাণ্মাসিক

কিনো দিম কিনো ল'বা
কিনো দিলে ভাল পাবা,
প্ৰচেষ্টাত আছো মই
উজাগৰি ৰাতি।
তোমাৰ প্ৰেমেৰে মোক
কৰিলে আকোঁৱালি,
কেনেদৰে পাহৰো মই
তোমাক আজি।
বিশ্ব ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ কণা মই
কেনেদৰে তোমাক আজি,
সন্তুষ্ট কৰো মই
চিৰলগৰীয়া সুখ দুখ।
দীৰ্ঘজীৱি মোৰ জীৱন সংগ্ৰাম
সিদিনা ওলাব সুখৰ বতৰা,
সেইদিনা ওলাব চকুলো নিজৰা
আজি বৰষুণ কালি খৰাং।
চিন্তা হয় বিশাল বাৰিষা
আজি আশা কালি নিৰাশা,
আৰম্ভণি হতাশাৰ দোমোজা
ওলায় বেলি মাৰ যায় বেলি।
শেষ হয় জীৱন চাকি।

# পাহাৰীয়া ছোৱালী

—ফৰিদা বেগম
দ্বিতীয় ষান্মাসিক

পাহাৰীয়া ছোৱালী তুমি
ইমান শুৱনি
তোমাৰ লাহী লাহী খোজে প্ৰতি
যেন বৈ আছে মলয়া বতাহ
এছাটি।
তোমাৰ মিছিকিয়া হাঁহিয়ে যেন
কুলি চৰাইক বাধ্য কৰায়
প্ৰেমৰ গীত জুৰিবলৈ
তুমি জানানে
তোমাৰ প্ৰেমৰ বতাহত উৰিব খোজে
মোৰ হৃদয়ে।
বৈ যাব খোজে তোমাৰ
তেজৰ শিৰে শিৰে।
তুমি আহিবা পাহাৰৰ
সেই অন্ধকাৰময় গুহাটোলৈ
য'ত মানুহৰ নাই হৈ চৈ
শুকুলা মেঘৰ পৰ্দা ফালি
পাতিম প্ৰেমৰ কথা
উটি ভাহি ফুৰিব আকাশে বতাহে
প্ৰেমৰ গীত জুৰিব
বহু আনন্দৰে।
আৰু আমি দুয়ো তাতেই
অৱস্থান লম জনমে জনমে।




# এটি নিঃশব্দ যন্ত্ৰণা

—নিৰ্মল মণ্ডল
দ্বিতীয় ষান্মাসিক

ক্লান্ত-শ্ৰান্ত সন্ধিয়াত
নিঃশব্দে বিৰিঙি উঠিল
হৃদয়ৰ পূৰ্ণ্যতা
বুৰ গ'ল ৰক্তিম উজ্জ্বলতা
মেঘ মুক্ত নীলাকাশত
দৈন্দদিন সপোনবোৰৰ বিচিত্ৰ খেলা
উগুল-থুগুল অন্তৰৰ
পুৰণি সোঁৱৰণী বুকুত
হৃদয়ে অনুভৱ কৰিছিল
ব্যৰ্থতা ভৰা জীৱনৰ বিপুল বেদনা
জীৱন-যৌৱনৰ পাৰ ভাঙি অহা
সুন্দৰ সপোনবোৰৰ কোলাহল
হৃদয়ৰ আবেগত আবদ্ধ
এটি নিঃশব্দ যন্ত্ৰণা।





# পোহৰ

—জয়দুৰ ৰহমান
ষষ্ঠ ষান্মাসিক

অ' মনৰ চেনেহী তুমি আছানো ক'ত?
তোমাক বিচাৰি বিচাৰি সকলো হলো সৰ্বহাৰা।
অ' আমাৰ দৰদী তুমি আছানো ক'ত?
অ' আমাৰ জীৱন লগৰী তুমি আছানো ক'ত??
তুমি দিয়া আলোকত সকলো আছো জীয়াই।
তুমি আমাক আৰু কিমান ৰাখিবা ঠগাই।।
তুমি আমাক তোমাৰ অলপ মোহৰ দিয়া জনাই।
আমাক সকলোকে ৰাখা জীয়াই।।
অ' আমাৰ সকলোৰে মৰমীয়াল।
আমি তোমাক নোহোৱাকৈ কেনেকৈ থাকানো
জীয়াই।।
অ' আমাৰ সকলোৰে চেনেহী,
অ' আমাৰ সকলোৰে ৰূপহী,
তোমাৰ জীৱনৰ অলপ পোহৰেদি
আমাক সকলোকে ৰাখা জীয়াই।।

# মোৰ যে কিমান আশা

—চন্দন মণ্ডল
চতুৰ্থ ষান্মাসিক

মই যদি গছ হ'লো হয়
ছাৰক দিলো হয় ছাঁ।
ৰ'দে-বতাহে ঘূৰি ফুৰে
নুপুৰে যাতে গাঁ।
মই যদি বাল্ব হ'লো হয়
ছাৰক দিলো হয় পোহৰ।
আমাৰ কাৰণে পঢ়ে ছাৰে
ৰাখিলো হয় ছাৰৰ খবৰ।
মই যদি কলম হ'লো হয়
ছাৰক দিলো হয় লিখা।
ছাৰৰ ধুনীয়া কবিতাৰ বাবে
দিলো হয় ছাৰক ভাষা।
পৰ-জনমত যদি পাঁও
ছাৰসকলক দেখা
তুমি এতিয়া ভাবি চোৱা
মোৰ যে কিমান আশা।



# শ্মশান

—উত্তম শইকীয়া
দ্বিতীয় ষাণ্মাসিক

শ্মশানেই হৈছে চিৰ শান্তিৰ ঠাই
য'ত সংসাৰৰ হাঁহি কান্দোন,
একোৰেই কোলাহল নাই
আত্মাই জিৰণী লোৱাৰ,
ই যে এক অভিনৱ ঠাই।।
শ্মশানত ধনী-দুখীয়া, উচ্চ-নীচ,
আপোন পৰ বুলি
নাই একো ভেদাভেদ।
কোনো পাৰ্থিৱ সম্পদক লৈ
নাই কোনো জেদা-জেদ।।
ধৰ্ম-অধৰ্মৰ নাই কোনো সংসৰ্গ,
গীত-মাতৰ নাই কোনো উৎকৰ্ষ
অন্ন-বস্ত্ৰৰ তাত প্ৰয়োজন নাই।
সপোন গঢ়াৰ বাবে কোনো সংগ্ৰাম নাই।
তাত কেনো অহংকাৰ নাই
নাই তাত কোনো দ্বন্দ্ব, অস্ত্ৰৰ ঝংকাৰ,
ইয়াতেই পৰিব ওৰ
জীৱন সংগ্ৰামৰ সকলো সমস্যাৰ
নীৰৱ, নিস্তব্ধ চিৰ শান্তিৰ ঠাই
এয়াই হৈছে শ্মশান,
য'ত পাৰ্থিৱ শৰীৰৰ
কোনো মূল্য নাই।।



# বিপ্লৱী

—গীতিমা কলিতা
চতুৰ্থ ষাণ্মাসিক

মই আজি অৱশ
নোৱাৰো আৰু
এখোজো আগুৱাব
সিদিনাই গ'ল মোৰ সৰ্বস্ব
যিদিনা শুনিছিলো জাক জাক
বিপ্লৱী ঘোঁৰাৰ পদধ্বনি,
মই আৰু পোনাই গৈছিলো
ওলাই...
হাতত এডাল এচাৰি,
কিন্তু কি ভীষণ!
সন্মুখত গৰ্জি উঠিল
এক টোপধ্বনি
নীলা আকাশেও পিন্ধিলে ক'লা আৱৰণ।
হায়!
সহস্ৰ বিপ্লৱীৰ সন্মুখত যোৱা
মোৰ পোণাৰ এটি নিথৰ দেহ।
মাথো মই আজি আছোঁ;
ভগা দেহ লৈ অতীতৰ সপোন ৰচি,
অতীতৰ সপোন ৰচি,
লাগে যদি কোৱা
এতিয়াও আছো মই
হাতত এচাৰি লৈ
মানৱতাহীন বিপ্লৱীক ৰুধিবলৈ।



# মন

—ছফিউল্লাহ আহমেদ (বাবু)
ষষ্ঠ ষাণ্মাসিক

মন যায় আজি মন নাযায়
দুনাই কলি মনো আকৌ ফুলিব
হৃদয়ত মৰহি যোৱা সেই গোলাপ পাহি।
লুইতৰ বৰষুণৰ জোৱাৰ আনিলে
পাৰিব জানো... মচিব?
অতীতৰ স্মৃতি নাজানো
আন্ধাৰে বিচাৰে পোহৰ নে
পোহৰে বিচাৰে অন্ধাৰ ৰাতি...।
দেখিও নেদেখা... বুজিও
নুবুজা জীৱন নদীৰ পাৰ দুটি!!

# প্ৰেম বিচাৰি

—মণি ৰাজকুমাৰ
চতুৰ্থ ষাণ্মাসিক

দিন ৰাতিক এক কৰি
মৰমৰ বোজা বুকুত বান্ধি
প্ৰেম বিচাৰি খাইছো হাবাথুৰি
হিয়াত বাজে প্ৰেমৰ অনুভূতি....।
নাজানে প্ৰেমৰ প্ৰস্তাৱ
নুবুজো প্ৰেমৰ অম্লান ভাষা;
বিচাৰো মাথো প্ৰেয়সী
দিব জানো কোনোবাই প্ৰেমৰ সঁহাৰি
ক'ত আছে সেই ৰূপৱতী গাভৰু
যি মোৰ হিয়াৰ আমঠু
পাওঁ যদি এবাৰ বাস্তৱত
যুগমীয়া কৰি ৰাখিম হিয়াৰ মাজত।

# কামনা

—মণিকা ডেকা
ষষ্ঠ ষাণ্মাসিক

মেঘাছন্ন আকাশৰ বিজুলীৰ পোহৰত
চকা-মকাকৈ তোমাক দেখিছিলো।
তুমি মোৰ ফালে একেথৰে চাই আছিলা
মই তোমাৰ চাৱনিৰ
দেখিছিলো একুৰা জুই,
যি জুইয়ে কেৱল তোমাৰেই নহয়
মোৰ হৃদয় বননিৰ
দাবানল জ্বলিছিল।
বন জুইত বহু প্ৰাণী ধংস হয়
মই কিন্তু বাছি গলো।
এনেকৈয়ে চলে মানৱ জীৱন।
অমানিশা মোৰ কামনা নহয়,
কামনা মোৰ এটি উজ্জ্বল নক্ষত্ৰৰ
কামনা মোৰ সেউজ প্ৰকৃতিৰ
যিয়ে মোৰ জীৱন উজ্জ্বল কৰিব পাৰে।



## মৌনতাৰ একাঁজলি

—হিমাদ্ৰী দেৱী
তৃতীয় ষান্মাসিক

নিকস...
কেৱল নীৰৱ..
এই যে সংগীহীন
নাই তাত কোনো জোনাক...
এচাটি ভাগৰৰ নিশা...
নহয়।
বতাহত জ্বলি অহা প্ৰকৃতি ধুমুহা
এই যে নিঃসংগ
গোপনে চকুলো সৰিলে সমভাগী হ'ব কোন?
এই দুচকুৰ ব্যৱধানতাই যথেষ্ট...
পবিত্ৰ যদি সঁচাই...
এন্ধাৰ ৰাতি বন্তি জ্বলিব
এই পবিত্ৰ ফুলজুপিৰ ভুল ক'ত?
যাৰ সৌন্দৰ্যই এদিন বিনাশৰ সৃষ্টি...
নিজান ৰাতিতে নিশ্চয়...
শেৱালি ফুল তুলিব অহা...
ইয়াৰ অৰ্থ...?
এই ধোঁৱাবিহীন আকাশত
কেৱল মৌনতা
আলফুলীয়া এই সপোনজাক ভাঙি চুৰমাৰ
দেখাৰ অধিকাৰ কাৰ....
এই পদহীন শিলৰ টুকুৰাটোত...
এদিন শেলাই..
সুখ, দুখৰ কাহিনী নালাগে বনাব
ইয়াৰ জানো আছে অৰ্থ...?



## তোমাক লৈ কিছু

—নিকুঞ্জ নাথ
প্ৰাক্তন সাংস্কৃতিক সম্পাদক

এখন সাগৰৰ দুটি পাৰ
সেয়ে যদি হয় জীৱন
নিহিত হৈ থাকিব জীৱন
তেন্তে এই সাগৰতে।
যেতিয়া নিজম ৰাতি
অত বুকুৰ ধপ-ধপনি
তুমি থাকিব পাৰিবা জানো
মোৰ ওচৰতে
অকলশৰে বহি।
যেতিয়া যৌৱন
আৰু ক'ব মন যায়
তোমাক কিছু কথা
আৰু দিব মন যায়
বুকুৰ সাঁচতীয়া মৰম
যদি থাকা
মোৰ তেনেই ওচৰতে বহি।






## আইৰ চকুলো

—গীতিমা কলিতা
চতুৰ্থ ষান্মাসিক

ৰাৱণৰ চিতা জুই জ্বলিছে আজি
মৰমী ব'হাগীৰ বুকুত।
সেউজীয়া গছে, করুণ ৰোদন তোলে
মৰ্মাহত কৰুণ শুধত।
ব'হাগীৰ মুগাৰ মেখেলাৰ পাৰিত
বিপ্লৱী ফুলে নাচিব ধৰিছে।
অতি চেনেহৰ মুগাৰ মহুৰাই
কান্দি কান্দি বিদায় মাগিছে।
হায়; হায়; আজি ব'হাগী ৰূপহীৰ ওঁঠত
কাজল ক'লা প্ৰসাধন।
নাই মুখত প্ৰাণ গলা
পিৰীতিৰ বিহুগান।
গছৰ ডালত কুলিটিয়ে নাগায়
আৰু সুৰীয়া মাত।
ডালৰ কপৌ ডালত শুকাই চৌপাশে
মাথো হুমুনিয়াহ, বিৰহ আৰু শোকৰ।



## সপোন

—ৰঞ্জন ৰাঠৌই
প্ৰথম ষান্মাসিক

ক'ব নোৱাৰো কিহেৰে ৰচিলো সপোন
প্ৰেম নে যন্ত্ৰণা
টোপ টোপ নিয়ঁৰ সৰা পুৱাতে
কি সুৰে উমাল কৰিলা
ক'ব নোৱাৰো।
তোমাৰ হৃদয়ৰ মিঠা মৰমবোৰে
বলিয়া কৰেহি মোক
পাহৰি যাঁও নিজকে
উটি যাঁও স্মৃতিৰ সোঁতত
বেদনাবোৰ হৈ পৰে এক নিজৰা
হঠাৎ
তোমাৰ দুগালেৰে বৈ পৰা
অতীতৰ স্মৃতিবোৰে
জুৰুলা কৰেহি মোক
তথাপিও হিয়াই বিচাৰে কাষত
হয়তো পুনৰ তোমাৰ মৰমে
উতলা কৰিবহি মোক।



## জীৱন

—দুলুমণি দেৱী
ষষ্ঠ ষাণ্মাসিক

জীৱনত কেতিয়াবা আশাৰ বৰষুণ
কেতিয়াবা নিৰাশাৰ ধুমুহা
ঘাট-প্ৰতিঘাতৰ মাজেৰেই
পাৰ হয় জীৱন।
হয়তো জীৱন যাত্ৰাত বহুতো আশা
গ্ৰীষ্ম কালত শুকাই যোৱা
খাল, বিল, পুখুৰীৰ দৰে
গছৰ শুকান পাতৰ দৰে।
প্ৰাণহীন হৈ আশা সৰি পৰিব
কেতিয়াবা আকৌ জীৱনৰ
পলসুৱা ৰঙে পলে পলে
প্ৰেৰণা যোগাই থাকিব।
সুখ-দুখৰ মাজেৰেই জীৱন
ক্ৰমান্বয়ে আগুৱাই যোৱাটোৱে
জীৱন পথৰ সংগ্ৰাম
এয়া যে জীৱন।

## সুধাকণ্ঠ

—ৰিঙ্কিমনি দাস

সুধাকণ্ঠ ভূপেন দা,
গ'লাগৈ শান্তিৰ মেঘৰ দেশলৈ।
ঘূৰি আহা পুনৰ সেই
আগৰ ঠাইলৈ।।
বৰ লুইতৰ চিকুণ পানীত
তোমাৰ প্ৰতিবিম্ব উঠে।
অসমীয়াৰ মুখত তোমাৰ,
গীত আজিও বাজে।
হে আমাৰ ভূপেন দা,
গ'লাগৈতো আমাক এৰি থৈ।
আছো আমি বৰ্তমান
অকলশৰীয়া হৈ।।
আমাৰে মাজৰ সংগীতজ্ঞ,
ৰ'লগৈ তেখেতৰ স্মৃতি।
অতি ভালপোৱা মৰমৰ
তেওঁৰ বুকুত ৰচা প্ৰকৃতি।।
হে আমাৰ ভূপেন দা
গ'লাগৈ শান্তিৰ মেঘৰ দেশলৈ।
উভতি আহা পুনৰ সেই
একেখন আকাশৰ তললৈ
সুধাকণ্ঠ ভূপেন দা,
শুচি গ'লা প্ৰকৃতিৰ বুকুখন উদং কৰি।
গাইছো আপোনাৰ গীত,
একেলগে হাতে হাত ধৰি।।



## মায়ং কলেজ

—মতী কাকলী কাঠাৰ
দ্বিতীয় ষাণ্মাসিক

মায়ং কলেজৰ
কবিতা প্ৰিয় পাঠক এজনে,
কবিতাৰ মাজেৰে বিচাৰে সুখৰ সমাধি।
সিঁচিব বিচাৰে সোনোৱালী পথাৰত,
সোনোৱালী শস্যৰ বীজ।
পবিতৰা অভয়াৰণ্যত দিব বিচাৰে
সেউজীয়া সুন্দৰ ভবিষ্যত।
আনিব বিচাৰে সেউজীয়া বৰষুণৰ ঢল
তেওঁ বিচাৰে মায়ং কলেজৰ
দেৱালত লিখা ভৱিষ্যতৰ,
জীৱন গঢ়া পদ্ধতি।
পকৰীয়া নৈৰ পাৰত বহি
শুনিব বিচাৰে ব্ৰহ্মপুত্ৰৰ বিশালতা।
মায়ং পাহাৰত অধ্যয়ন কৰিব বিচাৰে
মায়ঙৰ ইতিহাস আৰু ভূগোল।
তেওঁ বিচাৰে শিলালিপিৰ
প্ৰতিটো শব্দ বাক্যক জানিবলৈ।
সমাজৰ ভালপোৱা প্ৰকাশ পায়
কেনভাচৰ প্ৰতিখন ছবিৰ মাজেৰে।
মায়ং কলেজৰ এটি দুপৰীয়া,
উপভোগ কৰে এটি কবিতাৰ একাপ চাহ।
তেওঁৰ দুখবোৰ প্ৰকাশ পায়,
ভায়োলিনৰ মৃদু ঝংকাৰত।
কলেজৰ বকুলৰ মালাৰে
দিব বিচাৰে শান্তিৰ বতৰা।
পবিতৰাৰ গড় সংৰক্ষণ কৰিব বিচাৰে
সমাজৰ একতাৰ বান্ধোনেৰে
ভূৰাগাওঁৰ খহনীয়া ৰুধিব বিচাৰে
বৃক্ষৰোপন পদ্ধতিৰে
চাকনৈয়াত উৰি ফুৰে
তেওঁৰ আধৰুৱা সপোনবোৰ।।

# বৃষ্টি

—পুনম দাস
স্নাতক প্ৰথম বৰ্ষ

বৃষ্টি, তোমাৰ নাম,
ক'তনো থাকা তুমি?
এপলক চাৱনিতে মোৰ
হৃদয় জিনিলা তুমি।
এই কথা জানানে তুমি
তোমাৰ হাঁহিৰে যে সৰে নিৰ্য়ৰৰ মণি।
তিৰবিৰ্ চকুৰে কিনো
বিচাৰা তুমি?
বিচাৰানে মোৰ কোমল
কলিজাত প্ৰেমৰ মিঠা অনুভূতি।
সঁচাকৈয়ে ধুনীয়া তুমি।
তোমাৰ সপোনে মোৰ
দুচকুত কৰে আমনি।
তোমাৰ মোহিনীৰূপে নিয়ে
মোক তোমাৰ কাষলৈ টানি
এবাৰৰ কাৰণে দিয়া মোক
ঠিকনাটো তুমি।
বৃষ্টি ক'তনো থাকা তুমি...



# আজিৰ সমাজ

—দুলুমনি দেৱী
ষষ্ঠ ষাণ্মাসিক


চকুপানীৰ মূল্য কোনে বুজিব
হৃদয়ৰ ক্ৰন্দন কোনে জানিব
কাৰোবাৰ প্ৰতি মৰমৰ স্পৃহা
কাৰ জাগি উঠিব।
আছে জানো এনে মানুহ
আজিৰ পৃথিৱীত।
আছিল সেই ৰাম-লক্ষ্মণ
অতীতৰ স্মৃতি।
দিছে আৰ্হি কোনেও নকৰে গ্ৰহণ
যিয়ে কৰিছে গ্ৰহণ সি হৈছে
পিশাচ, পশুৰ হাতত বলী
পিশাচ, পশু হোৱা
দৰিদ্ৰৰ তেজেৰে দৌল সজা
তেহে পাবা জাতীয় বঁটা
তেতিয়া পাবা সমাজত আদৰ
আজিৰ পৃথিৱীত দানৱ সমাজ
এয়া হৈছে আজিৰ সমাজ।।



# আমাৰ পৱিত্ৰ মায়ং

—মামনী বিশ্বাস
দ্বিতীয় ষাণ্মাসিক

চাৰিওফালে পৰ্বত-পাহাৰ সেউজ বননি
সঞ্জীৱনী জননেতা মায়ং জননী।
স্বয়ং দেৱতাই দিলে মায়ঙৰ মাজেৰে বোৱাই
পৱিত্ৰ জলধাৰাৰে নদী ভৰাই।
বাৰে-বৰণীয়া বস্তু আমি মায়ঙত সদায়ে দেখোঁ
পৱিত্ৰ মায়ং আমাৰ জয়ৰ সপোন।
মায়ঙত জন্মিলে আৰু কিমান বীৰ
কোনোদিনে নকৰিলে ক'তো নতশিৰ।
মায়ঙত আছে সেউজীয়া অৰ্জুন গছ-পাত
নাপাওঁ বিচাৰি ক'তো ইয়াৰ গুণ ধৰাত।
মায়ঙত আছে আৰু বহুতো কেঁচা সোণ
পনীয়া-সোণৰ বাবে গৌৰৱ দুগুণ।
নৰসিংহ আৰু শিৱ মন্দিৰ পৱিত্ৰ ধাম
তাত মাথোঁ আমাৰ ভক্তিৰ কাম।
শঙ্কৰে-মাধৱে কৰে হৰি গুণ-গান।
আমি সবে মিলি লওঁ হৰিনাম।
নাই কেনো ভেদাভেদ সকলো আপোন
অসমীয়া বঙালী একেই দাপোন।
হোৱা নাই কোনোদিনে হিংসা-মনৰ
যোৱা নাই কেতিয়াও এৰি নিজা ঘৰ।
মায়ঙৰ পৱিত্ৰতাত আছে এশিঙীয়া গঁড়
তাৰ গুণতে মায়ং মৰিও অমৰ।
ভবা নাই কোনোদিনে ধ্বংস হ'নিম
পৱিত্ৰ মায়ং কৰি আমি সদায়ে ৰাখিম।



## সময় সময়

—বৰ্ণালী শইকীয়া
তৃতীয় ষান্মাসিক

"সময়ৰ সহবাসত
সজাল মাতৃ গৰ্ভত,
সময়ৰ কেকোছাত,
শৈশৱৰ মধু গুঞ্জন
সময়ে বাগৰ সলায়
কৈশোৰেও ভুমুকি মাৰে
সময়ে কাঢ়ি নিয়ে
কৈশোৰৰ প্ৰস্ফুটিত ওঁঠ,
বিনিময় স্বপ্ন ভৰা বসন্ত
কামনা সিক্ত অতৃপ্ত যৌৱন
সময়ে আঁচোৰ মাৰে
যৌৱনে মেলানি মাগে
প্ৰৌঢ়ৰ অথাই সাগৰ
মায়া ভৰা এখনি সংসাৰ সময় বৰ নিষ্ঠুৰ
সময়, তই
প্ৰকৃততে
দুঃসময়....



## অকলে অকলে

—সুখ-শাড়ী মণ্ডল
স্নাতক, দ্বিতীয় ষান্মাসিক

অকলে অকলে কেতিয়াবা
ল'ৰালি ল'ৰালি খেলো,
ল'ৰালিলৈ বেছি দূৰ নহয়
যিমান মৃত্যুলৈ।
তেনেকৈয়ে ভাবো—
অকলে অকলে কেতিয়াবা
ভাল লগা কথাবোৰ ভাবো,
ভাল লগা কথাবোৰ নাথাকে বেছি সময়
দুখ লগা কথাবোৰে
ভিৰ কৰেহি মন গহনত।
আচলতে অকলে অকলে কেতিয়াবা
গুচি যাঁও একাষৰীয়া হৈ,
ভাল লগা মুহূৰ্তৰ স্মৃতিয়ে
পাতলাব নোৱাৰে সকলো
বেছি দূৰৈততো জ্বলা নাই জুই
ধোৱাই ছানি ধৰা আকাশ।
অকলে অকলে কেতিয়াবা হেৰাই যাঁও
আৰু নিৰন্তৰ বিচাৰি ফুৰো নিজকে।।





## ব'হাগ

—মনোজ সৰকাৰ
চতুৰ্থ ষান্মাসিক

কুলিৰ মাতত আহিল ব'হাগ,
লগতে আহিল বিহু।
শিপিনীয়ে ধৰিছে নিজৰ নিজৰ কাম,
মইযে কি কৰো।।
সকলোৰে মন আনন্দত উতলা,
আৰু উতলা প্ৰকৃতি।
যেন বহাগৰ বৰষুণ পাই,
লৈছে নতুন স্বীকৃতি।।
ব'হাগত হয় ভালপোৱা,
আৰম্ভ হয় নতুন জীৱন।
এই ভালপোৱাৰ মাজতে আছে,
দুখ, বেদনা আৰু মিঠা মিঠা সোঁৱৰণ।।

## মাতৃভূমি

—মল্লিকা দেৱী
দ্বিতীয় ষান্মাসিক

তোমাৰ কোলাতে ল'লোহি জনম
হে অসমী আই
তোমাতকৈ প্ৰিয় আজি মোৰ হৃদয়ত
আন কোনো নাই।
বাৰেবৰণীয়া হৈ আছো একেলগে
নানা জাতি-উপজাতি
ৰক্ষা কৰিছো আমি নিজস্ব ধৰ্ম
বজাই ৰাখি সংহতি।
প্ৰীতিময় আমাৰ অসমী আই
শান্তিৰ সমাৱেশ
একতাৰ দ্বাৰা আমি বিস্মিত এদিন
গঢ়িম অভিলেখ।
শান্তি সমৃদ্ধি মিলা-প্ৰীতি কিছুমানে
নোৱাৰে সহিব
তেনে লোকে আমাৰ মাতৃভূমিক
কৰিছে ধ্বংস।
আমি যদি হওঁ আই তোমাৰ
প্ৰকৃত সন্তান
প্ৰাণ দি হ'লেও ৰক্ষা কৰিম আই
তোমাৰেই সন্মান।

# ফেচবুকৰ সপোন সন্ধানী

—ছফিউল্লাহ আহমেদ (বাবু)
ষষ্ঠ ষাণ্মাসিক

"পুনঃ উদং পথাৰ
গাভৰু হয়। সপোন
প্ৰাণ পায়। ফেচবুকৰ
উকা কেনভাছত
আঁচোৰ পৰে ৰঙা
নীলা, হালধীয়া...
... আৰু সময়ে পুনৰ
এখোজ-দুখোজ কৰি
গতি কৰে বিৰক্তিৰ
সতে মিতিৰালী
পতিবলৈ.... ।"

লগ ইন কৰি থমকি ৰও অচিন কাৰোবাৰ ফ্ৰেইণ্ড ৰিকুৱেষ্টত। এটা নতুন অধ্যায়ৰ পাত লুটিয়াই লাহেকৈ ক্লিক কৰো Confirm Request বুটামটোত। .....হেজাৰ নটিফিকেচনত হেৰাই যায় তোমাৰ ছবিখন। .... তোমাক বিচাৰি তোমাৰ Profile টোক ভুমুকিয়াই চাওঁ। লাইক কৰো তোমাৰ বুজি নোপোৱা আপডেটটোত। কমেণ্ট দিবলৈ ধাৰ কৰো জুবিনদাৰ এটা গানৰ কলি।

"Hi Vaalne tumer?" –তোমাৰ কাল্পনিক ৱাল পোষ্টটোত প্ৰাণ পাই উঠে মোৰ পৃথিৱীখন। "Mur Valei, tumar?" —সপোনতে Reply দিওঁতে অনুভৱ কৰো হৃদয়ত অনামী হেন্দোলনি; দুচকুত এক অবুজ শিহৰণ আৰু ওঁঠৰ ভাঁজে ভাঁজে এটা মিঠা হাঁহি।

হঠাৎ অনলাইনত দেখা পাওঁ তোমাক। মই সম্ভাষণ জনাও Chat Boxত :- Hi"। এটা মাথো সুৰ বিন্দুতেই জানো মনৰ ভাব প্ৰকাশ নাপায়। মুহূৰ্ততে তুমি ..... অফলাইন.....



# English Section